## ।। ৩ ।। ছেকানুপ্ৰাস

দুটা বা ততোধিক বৰ্ণ একেটা ক্ৰমতে সংযুক্তভাৱেই হওক বিযুক্তভাৱেই হওক দুবাৰ ধ্বনিত হলে অৰ্থাৎ এবাৰ পুনৰাবৃত্ত হলে ছেকানুপ্ৰাস হয়।

ছেক মানে চতুৰ। ছেকানুপ্ৰাসৰ অৰ্থ হল— বিদগ্ধ কবিয়ে প্ৰয়োগ কৰা

অনুপ্রাস। এইবিধ অনুপ্রাসৰ প্ৰধান লক্ষণ দুবাৰ মাত্ৰ ধ্বনিত হোৱা গতিকে এই ব্যৱস্থাই অনুপ্রাসৰ বিষয়ত কবিক সংযত কৰি দিয়া হৈছে। প্ৰকৃতপক্ষে সংযত অনুপ্রাসৰ কাব্যত সৌন্দৰ্য আধান কৰাৰ শক্তি বেছি আৰু এনে বিধৰ অনুপ্রাসে ৰস-গ্ৰহণত হেঙাৰৰ সৃষ্টি নকৰে বৰং পোষকতাহে কৰে, কাৰণ ই স্বতঃস্ফূৰ্ত। এনে অনুপ্রাসৰ চৌত কাব্যত্ব উটি যোৱাৰ সম্ভাৱনা নাথাকে।

ছেকানুপ্রাসৰ নিবন্ধন এইকেইটা ঃ

(১) যুক্ত বা বিযুক্ত— দুটা অধিক বৰ্ণ একেটা ক্ৰমত থাকিব লাগিব— ৰমণ-মৰণ ইয়াত দুটা বৰ্ণ 'ৰ' আৰু 'ম' আবৃত্ত হৈছে, কিন্তু একে ক্ৰমত নহয়; প্ৰথমটোত 'ৰম' আৰু তাৰ বিপৰীত 'মৰ' এই ওলোটা ক্ৰম হৈ যোৱা কাৰণে ই ছেকানুপ্রাস হব নোৱাৰে। সেইদৰে যুক্তবৰ্ণও ওলোটা ক্ৰমত থাকে ছেকানুপ্রাস নহয়— বজ্ৰ (বজ্ৰ) আৰু বৰ্জ (বৰ্‌জ) প্ৰয়োগত ছেকানুপ্রাস হব নোৱাৰে।

(২) কেৱল এটা মাত্ৰ বৰ্ণৰ আবৃত্তিত ছেকানুপ্রাস নহয়।

(৩) এবাৰ মাত্ৰ আবৃত্ত হব অৰ্থাৎ সেই বৰ্ণ দুটা যুগপৎভাৱে দুবাৰ ধ্বনিত হব। এই নিয়মটো এটা প্ৰয়োজনীয় অনুশাসন।

যুক্তবৰ্ণৰ উদাহৰণ ঃ

(ক) 'দুইতো দুয়ো নাহি তুষ্টি
হানে বজ্ৰ সম মুষ্টি।' — শংকৰদেৱ

(খ) 'চঞ্চল চৰণে আজি অঞ্চল দোলাই
কেনি যোৱা লয়লাসে কেশৰ-বাসনা।'

— বৰঠাকুৰ ঃ শ্ৰীবৎসচিন্তা

(গ) 'কিনো সি সোণৰ কাঠী? যাৰ স্পৰ্শ লাগি
কৈশোৰৰ ইন্দ্ৰজাল তন্দ্ৰা যায় ভাগি।' — দেৱকান্ত বৰুৱা

(ঘ) 'চল সখি কুঞ্জং, সতিমিৰ পুঞ্জং
শীলয় নীলনিচোলম্।' — জয়দেৱ

ইয়াত (ক) উদাহৰণত ষ্‌ট এই দুটা বৰ্ণ সংযুক্তভাৱে দুবাৰ ধ্বনিত হৈছে, (খ) উদাহৰণ ন্‌চ (ঞ্‌ চ), (গ) উদাহৰণত ন্‌ দ্‌ ৰ্‌ এই তিনিটা বৰ্ণ একে ক্ৰমত দুবাৰ ধ্বনিত হৈছে আৰু শেষোক্ত (ঘ) উদাহৰণত ঞ্‌ জম্‌ এই তিনিটা বৰ্ণই

ক্ৰমপাৰিপাট্য ৰক্ষা কৰি ওচৰা-উচৰিকৈ দুবাৰ ধ্বনিত অৰ্থাৎ এবাৰ আবৃত্ত হৈছে। বৰ্ণক্ৰম একেই আছে। বিযুক্তবৰ্ণৰ উদাহৰণ ঃ

(ক) 'ললিত বলিত ভুজ ভুজংগৰ কায়।
নখ আৰকত কৰ কিশলয় প্ৰায়।।' — দশম

(খ) 'একালৰ বৃন্দাবন,
একালত হব বন,
নিয়তিৰ এনুৱা বিধান।
বুৰঞ্জীয়ে দিয়ে সমিধান।' — বিনন্দ বৰুৱা

(গ) 'মৰণ যাচোঁ ৰাণী তোমাৰ চৰণকমল চুমি।' — দেৱকান্ত

ইয়াত (ক) উদাহৰণত ললিতৰ 'লিত', আৰু বলিতৰ 'লিত' 'ভুজ' আৰু 'ভুজংগৰ 'ভুজ' আৰু (খ) উদাহৰণ 'বন' বন আৰু বিধানৰ 'ধান', সমিধানৰ 'ধান' এই কেইটা বিযুক্তব্যঞ্জন বৰ্ণ দুবাৰকৈ ধ্বনিত হোৱাত ইয়াত বিযুক্ত বৰ্ণৰ ছেকানুপ্ৰাস হৈছে। (গ) উদাহৰণত 'মৰণ' আৰু 'চৰণ'ৰ 'ৰণ' দুবাৰ ধ্বনিত হৈছে। এই কথা ঠিক যে স্বৰ বৈসাদৃশ্য অনুপ্ৰাসত গণিত নহলেও, স্বৰ সাদৃশ্য বেছি শ্ৰুতিমধুৰংগ 'মৰণ ৰাণী'তো ছেকানুপ্ৰাস আছে। 'আৰকত' আৰু 'কৰ'তো 'ৰ ক' বৰ্ণৰ ছেকানুপ্ৰাস।

## ।। ৪ ।। বৃত্ত্যনুপ্ৰাস

এক বা অনেক বৰ্ণ দুবাৰ বা ততোধিকবাৰ আবৃত হলে বৃত্তানুপ্ৰাস হয়। ছেকানুপ্ৰাসত দুইবৰ্ণ একেদৰে এবাৰ মাথোন আবৃত্ত হয়; বৃত্তানুপ্ৰাসত বৰ্ণ এটাও হব পাৰে বেছিও হব পাৰে আৰু দুবাৰ বা তাতোকৈও বেছিবাৰ আবৃত হয়। অৰ্থাৎ তিনি বা তাতকৈ বেছিবাৰ ধ্বনিত হয়।[৬]

উদাহৰণ ঃ

(ক) 'মোহদানন্দ কন্দ পৰমানন্দ নন্দ নন্দন বনচাৰী।'

— ইয়াত ন্ দ্ এই দুই বৰ্ণ বহুতবাৰ আবৃত হোৱাত ই বৃত্ত্যনুপ্ৰাস হৈছে।

বৃত্তি মানে গুণ। ৰসানুকূল গুণ অনুসাৰে সদৃশবৰ্ণৰ বিন্যাসেই বৃত্তানুপ্ৰাস। বিনা কাৰণে সদৃশবৰ্ণৰ আবৃত্তিৰদ্বাৰা অনুপ্ৰাস কৰাটো আলংকাৰিকসকলে উচিত বুলি নাভাবে। বৰ্ণবিলাকৰ কিছুমানৰ মধুৰ গুণ প্ৰকাশ কৰাৰ শক্তি আছে। কিছুমান বৰ্ণই ওজঃ গুণৰ ব্যঞ্জনা দিব পাৰে। কিছুমান বৰ্ণ কোমল আৰু সেইবোৰ ৰচনাত প্ৰসাদ গুণ আনি দিয়ে। ৰসপুষ্টিৰ অনুকূলে যি যি গুণ ৰচনাত থাকিব লাগে সেইবোৰ ফুটাই তোলাত যিবোৰ বৰ্ণই সহায়তা কৰে তেনে বৰ্ণৰ আবৃত্তিকে বৃত্ত্যনুপ্ৰাস বোলা হয়। ৰসাদিৰ অভিব্যঞ্জক গুণ অনুসাৰে বৰ্ণব্যৱহাৰেই বৃত্তি। এই বৃত্তি তিনি প্ৰকাৰ— উপনাগৰিকা, পৰুষ আৰু কোমলা। মাধুৰ্যব্যঞ্জক বৰ্ণৰ সমাবেশ উপনাগৰিকা। ওজঃগুণব্যঞ্জক বৰ্ণৰ সমাবেশ পৰুষা আৰু কোমলতাব্যঞ্জক বৰ্ণৰ সমাবেশ কোমলা। কোমলাকে কোনো কোনোৱে গ্ৰাম্যাও বোলে।

উপনাগৰিকা বৃত্তিযুক্ত অনুপ্ৰাস শৃংগাৰ কৰুণ আদি ৰসৰ পৰিপোষক। অল্পপ্ৰাণ আৰু অনুনাসিক বৰ্ণৰ আবৃত্তি ইয়াৰ বিশেষ লক্ষণ। উদাহৰণ ঃ

(ক) 'সেইদিনা যৌৱনৰ সাগৰ ভীৰত
প্ৰণয়ৰ অৰুণ উদয়।' — *দুৱৰা*

(খ) 'নিশাই ৰঙেৰে কাচি কলীয়া কাচোন
তুলি কৃষ্ণ কেশৰ তৰংগ।' — *দণ্ডিনাথ কলিতা*

(ক) উদাহৰণ ন বৰ্ণৰ আবৃত্তি আৰু (খ) উদাহৰণত আৰু ক বৰ্ণৰ আবৃত্তি হৈছে। দুয়োটাই ৰচনাত মাধুৰ্যগুণ আনি বৰ্ণনীয় শৃংগাৰ ৰসৰ পুষ্টি সাধন কৰিছে।

পৰুষা— বীৰ-ভয়ানক-ৰৌদ্ৰ ৰসৰ পৰিবেশনত ট ঠ ড ঢ ঘ ঙ আৰু সংযুক্তবৰ্ণৰ আবৃত্তি সহায়ক হয়। উদাহৰণ ঃ

'ঠাট প্ৰকট পট কৌটি কৌটি কপি
গিৰি গৰ গৰ পদ ঘাৱে।
বাৰিধি ভীৰ তৰি কৰে গুৰুতৰ গিৰি
ধৰি ধৰি সমৰক ধাৱে।'

ইয়াত ৰামৰ লংকা অভিযান বৰ্ণনা কৰা হৈছে। বীৰৰসৰ পৰিবেশনত ঠ ট

ঘ ধ আদি বৰ্ণযুক্ত শব্দৰ প্ৰয়োগত পৰুষা বৃত্তিৰ উদয় হৈছে আৰু পুৰুষতাব্যঞ্জক বৰ্ণৰ আবৃত্তিত পুৰুষাবৃত্ত্যনুপ্ৰাস হৈছে।

কোমলা বা গ্ৰাম্যা— গ্ৰাম্যাত প্ৰসাদগুণ থাকে। উপনাগৰিকাৰ মাধুৰ্যগুণ আগন্তুক অৰ্থাৎ কবিৰ প্ৰযত্নসাধ্য। গ্ৰাম্যাতো মাধুৰ্যগুণ নথকা নহয়— ইয়াত বৰ্ণসমাবেশ সহজ-সৰল বিধৰ। বিদগ্ধকবিৰ ৰচনাচাতুৰ্যৰ স্পৰ্শ ইয়াত পোৱা নাযায়। উপনাগৰিকাৰ অৰ্থ হ'ল নগৰীয়া বিলাস লাস্যময়ী যুৱতী। সেই অৰ্থত উপনাগৰিকা বৃত্তি হ'ল 'ফিট্‌ফাট' আৰু গ্ৰাম্যা বৃত্তি হ'ল 'চাদাচিধা'। কোমলা আৰু উপনাগৰিকাৰ মাজত আন প্ৰভেদ বিশেষ নাই যেন লাগে। গ্ৰাম্যা বা কোমলাৰ লগত প্ৰসাদ গুণৰ সম্বন্দই ইয়াকে বুজায়। কোমলা বৃত্তিত ল ক ব আৰু অসমীয়া উচ্চাৰিত 'চ' আদিৰ আবৃত্তি হয়।

(ক) 'মোৰ বাবে তুমি
নুৰুৱা মালতী ফুল।
জীৱনত কিয়
মিছাতে লগোৱা ভুল।' — *দুৰৱা*

ইয়াত বৰ্ণবিন্যাসত অধিক সাজ-সজ্জা নাই। শব্দৰ আড়ম্বৰ নাই, কিন্তু কোমল শব্দৰ প্ৰয়োগত 'ল' বৰ্ণৰ একাধিক আবৃত্তিৰে অনুপ্ৰাস গুঞ্জনৰ সৃষ্টি কৰা হৈছে। ই কোমলা বা গ্ৰাম্যা বৃত্তানুপ্ৰাসৰ নমুনা।

(খ) 'চ'তে চত গই বহাগে পালেহি
ফুলিলে ভেবেলী লতা।'

বিহুনামৰ এইফাকিও গ্ৰাম্যা বৃত্তানুপ্ৰাস 'ল' বৰ্ণৰ একাধিক আবৃত্তি আৰু অনাড়ম্বৰ শব্দজাল বিশেষত্ব।

**লাটানুপ্ৰাস**— লাটানুপ্ৰাস নামৰ আৰু এবিধ অনুপ্ৰাস আছে, কিন্তু তাৰ ব্যৱহাৰ সংস্কৃততো বিৰল। অসমীয়াত নাই বুলিলেও হয়। ওপৰত দি অহা উদাহৰণবিলাকত বৰ্ণৰ আবৃত্তি হয়, কিন্তু এইবিধ অনুপ্ৰাসত সমুদায় পদটোৰে আবৃত্তি। পদ দুটাৰ বাচ্যাৰ্থ একেই, কিন্তু তাৎপৰ্য ভিন্ন। উদাহৰণ ঃ

(ক) 'ইকথা নহয় জানা কথা পুৰুষৰ।'

— কথা শব্দৰ অৰ্থ একেটাই কিন্তু অন্বয়াৰ্থ পৃথক। প্ৰথম কথা বিধেয় আৰু দ্বিতীয় কথা উদ্দেশ্য।

(খ) 'কুবুজা কাম মনোৰথ পূৰল
বৰদ-বৰদ বনমালী।'